অসমীয়া প্ৰতিদিন

Date : 22-Feb-16 Page : 16

# এন আৰ এল মাৰাথানত উজলিল থলুৱা গ্ৰাম্য প্ৰতিভা



প্ৰতিদিন বিশেষ সংবাদ, নুমলীগড়, দৈপ্ৰাং, ২১ ফেব্ৰুৱাৰী : প্ৰথমবাৰৰ বাবে আয়োজন কৰা এন আৰ এল মাৰাথন ২০১৬ আজি তিনিটা স্তৰত ক্ৰমে ৩ কিলোমিটাৰ, ৫ কিলোমিটাৰ আৰু ১০ কিলোমিটাৰত অনুষ্ঠিত হয়। ৰাজ্যখনৰ লগতে ভাৰতবৰ্ষ তথা বিদেশী দৌৰবিদেও ইয়াত অংশগ্ৰহণ কৰে। পুৱা ৬ বজাৰ পৰা নুমলীগড় চাওনা বস্তি এল পি স্কুল চৌহদ আৰু নুমলীগড় উচ্চ মাধ্যমিক বিদ্যালয়ৰ এন আৰ এল ফুটবল একাডেমীৰ খেল পথাৰৰ পৰা এই প্ৰতিযোগিতা আৰম্ভ হয়। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ সঞ্চালক এন কে যাদৱ আৰু অসমীয়া কথাছবি জগতৰ মেহজুবী অভিনেত্ৰী বৰষাৰাণী বিষয়াই ফ্লেগ অফ কৰা এন আৰ এল মাৰাথন ২০১৬ ত মুঠ ২,৪০০ প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। প্ৰতিযোগীসকলক শপত বাক্য পাঠ কৰায় অৰ্জুন বঁটা বিজয়ী ভোগেশ্বৰ বৰুৱাই। প্ৰথমবাৰৰ বাবে আয়োজন কৰা এই প্ৰতিযোগিতাত সুদূৰ কেনিয়াৰ দৌৰবিদৰ অংশগ্ৰহণৰ উপৰি ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যৰ দৌৰবিদসকলৰ লগতে অসমৰ প্ৰত্যেকখন জিলাৰে প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰি স্থান লাভ কৰিবলৈ সক্ষম হৈছে। উল্লেখযোগ্য কথা হ'ল যে কোনো বিশেষ সা-সুবিধা নথকা তিতাবৰ গ্ৰামাঞ্চলৰ কাহানিও এনে উচ্চমানৰ প্ৰতিযোগিতাত অংশগ্ৰহণ নকৰা প্ৰতিযোগীয়েও অংশগ্ৰহণ কৰি বিদেশী প্ৰতিযোগীৰ লগতে স্থান লাভ কৰিবলৈ সক্ষম হৈছে। এন আৰ এলৰ এই প্ৰচেষ্টাই এক শ্ৰেণীৰ গ্ৰাম্য প্ৰতিভা উজলাই তোলাত অৰিহণা যোগালে। অনুষ্ঠানত অৰ্জুন বঁটা বিজয়ী ভোগেশ্বৰ বৰুৱা, অভিনেত্ৰী বৰষাৰাণী বিষয়া, মহাদেৱ ডেকা, অভিনেতা প্ৰাঞ্জল শইকীয়া, পিংকি বৰ্ণ ডেকাৰ অভিজিত বৰুৱা আদিয়ে অংশগ্ৰহণ কৰে। ১০ কিমিত প্ৰথম পুৰস্কাৰ ২৫,০০০, দ্বিতীয় ২০,০০০ আৰু তৃতীয় ১৫,০০০ হিচাপে ক্ৰমে ১০ জনক বাছনি কৰি পুৰস্কাৰ প্ৰদান কৰা হয়। সেইদৰে ৫ কিমিত প্ৰথম পুৰস্কাৰ ৫,০০০, দ্বিতীয় ৪,০০০ আৰু তৃতীয় ৩,০০০ হিচাপে ৫ জন বাছনি কৰি পুৰস্কাৰ প্ৰদান কৰা হয়। ৩ কি মিত প্ৰথম পুৰস্কাৰ ৩,০০০, দ্বিতীয় ২,৫০০ আৰু তৃতীয় ২,০০০ হিচাপে ক্ৰমে ৫ জনক বঁটা প্ৰদান কৰা হয়। প্ৰতিযোগিতাৰ ফলাফলসমূহ এনেধৰণৰ ১০ কিমিত পুৰুষৰ প্ৰথম চেইমন কিপলেট (কেনিয়া), দ্বিতীয় পিটাৰ (কেনিয়া), তৃতীয় আমকুদ্দিন (বাক্সা), চতুৰ্থ বকুল চুতীয়া, (যোৰহাট), পঞ্চম ইতাৰি কেশমানৰ (উত্তৰ প্ৰদেশ), ষষ্ঠ জেইদুল ইছলাম (গুৱাহাটী), সপ্তম কবীন দাস (বৰপেটা), অষ্টম হেমন্ত ৰায় (নুমলীগড়), নৱম বিজয় ওৰাং (গাভৰুগাঁও, গোলাঘাট) আৰু দশম পবিত্ৰ টাঁটা (বকাজান)। ১০ কিমিঃ মহিলাৰ প্ৰথম মাটুৱাৰা আহমেদ (গুৱাহাটী), দ্বিতীয় সূৰ্য্য বৰ্মন (গুৱাহাটী), তৃতীয় দীপালী ভূঞা (ধুমটাই), চতুৰ্থ ভানু বৰলৈ (গুৱাহাটী), পঞ্চম ভাৰতী চাহ (বোকা, নুমলীগড়), ষষ্ঠ মনিষা যাদৱ (বোকাখাত), সপ্তম পৰিস্মিতা শইকীয়া (বোকাখাত), অষ্টম প্ৰিয়াংকা কুৰ্মী (বকাপথাৰ), নৱম কবিতা দলে আৰু দশম জয়ন্তী শৰ্মা। ৫ কিমিত পুৰুষৰ প্ৰথম হবিবুল আহমেদ, (গুৱাহাটী), দ্বিতীয় হেমাৰ আলী (গুৱাহাটী), তৃতীয় জাহিদুল আলী (গুৱাহাটী), চতুৰ্থ পংকজ চুতীয়া (গোলাঘাট), পঞ্চম উৎপল শৰ্মা (নুমলীগড়)। ৫ কিলোমিটাৰত মহিলাৰ প্ৰথম মনুৱাৰা খাতুন (গুৱাহাটী), দ্বিতীয় সুমিত্ৰা মিৰ্ধা (গোলাঘাট), তৃতীয় আচমা পৰবিন, চতুৰ্থ মীনাক্ষী গগৈ, পঞ্চম অংকিতা বৰা। ৩ কিমিত পুৰুষৰ প্ৰথম নৱাবনি তিয়াৰ, দ্বিতীয় হেমন্ত বৰুৱা (বোকাখাত), তৃতীয় আকাশ চাওলা (নগাঁও), চতুৰ্থ মামনপ্ৰতিম হাজৰিকা, পঞ্চম চম্পক বৃকন (পানীদিহিঙীয়া)। ৩ কি মিত মহিলাৰ প্ৰথম ভৱানী কছাৰী (নুমলীগড়), দ্বিতীয় মহিমা পাৱৰী (নামটিমোৱা), তৃতীয় নমী মনুৰা (দিপুৰ), চতুৰ্থ মৌচুমী দেৱী আৰু পঞ্চম মুনমী বৰুৱা (নুমলীগড়)।